**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 06-12-2025
**Time :** 1340 HRS.

ASSAMESE MIDDAY BULLETIN

## HEADLINES

**::::::::::::::::::**

১। ভাৰত আৰু ৰাছিয়াই ২০৩০ চনৰ ভিতৰত দ্বিপাক্ষিক বাণিজ্যৰ পৰিমাণ ১০ হাজাৰ কোটি মাৰ্কিন ডলাৰলৈ বৃদ্ধি কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে।

২। কেন্দ্ৰীয় চৰকাৰে কৰ ব্যৱস্থাৰ সৰলীকৰণৰ বাবে কাম কৰি আছে বুলি বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে প্ৰকাশ কৰিছে।

৩। সমগ্ৰ ৰাষ্ট্ৰই আজি ভাৰতৰত্ন সন্মানেৰে বিভূষিত ড০ বি আৰ আম্বেদকাৰৰ ৭০ সংখ্যক মহা পৰিনিৰ্বাণ দিৱস বা মৃত্যু বাৰ্ষিকী উপলক্ষে সংবিধান প্ৰণেতাগৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰিছে।

৪। অসামৰিক বিমান পৰিবহন মন্ত্ৰী ৰামমোহন নাইডুৱে ইণ্ডিগ' বিমানসমূহৰ উৰণ বাতিল আৰু পলমকৈ চলাচল কৰাৰ ফলত সৃষ্টি হোৱা সমস্যা কিছু উন্নত হোৱা বুলি জানিবলৈ দিছে।

*আৰু*

৫। ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল বিশাখাপট্টনমত অনুষ্ঠিত হৈছে।

০০০০০০

ভাৰত আৰু ৰাছিয়াই ২০৩০ চনৰ ভিতৰত দ্বিপাক্ষিক বাণিজ্যৰ পৰিমাণ ১০ হাজাৰ কোটি মাৰ্কিন ডলাৰলৈ বৃদ্ধি কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। নতুন দিল্লীত কালি ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনৰ সৈতে ভাৰত-ৰাছিয়া ব্যৱসায়ী মঞ্চৰ বৈঠকত ভাষণ দি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে দুয়োপক্ষৰ প্ৰবল সম্ভাৱনাই নিৰ্ধাৰিত সময়ৰ পূৰ্বেই যে দ্বিপাক্ষিক বাণিজ্যৰ লক্ষ্যত উপনীত হ'ব পৰা যাব তাকেই সূচাইছে। তেওঁ কয় যে ব্যৱসায়ৰ বাবে সৰল আৰু সহজে অনুমেয় ব্যৱস্থা গঢ়ি তোলা হৈছে। ভাৰত আৰু ইউৰেছিয় অৰ্থনৈতিক সংঘৰ মাজত মুক্ত বাণিজ্য চুক্তি সন্দৰ্ভত আলোচনা আৰম্ভ হোৱা বুলি তেওঁ প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীয়ে কয়, যে ব্যৱসায়েই হওক বা কূটনীতিয়েই হওক যিকোনো সহযোগিতাৰ মূল ভেটি হৈছে আস্থা। তেওঁ লগতে ভাৰত-ৰাছিয়াৰ মাজৰ সম্পৰ্কৰ মূল শক্তি আস্থা বুলি অভিহিত কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে এই আস্থাই যুটিয়া প্ৰচেষ্টাসমূহক গতি প্ৰদান কৰি আহিছে আৰু নতুন সপোন তথা আশা-আকাংক্ষাৰ ভেটিৰূপে কাম কৰি আহিছে।

ভাৰত আৰু ৰাছিয়াই নিৰ্ধাৰিত সময়ৰ পূৰ্বে দ্বিপাক্ষিক বাণিজ্যৰ লক্ষ্যত উপনীত হোৱাৰ দিশে অগ্ৰসৰ হোৱা বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে মোদীয়ে কয়, যে এই ক্ষেত্ৰৰ সফলতাক লৈ তেওঁৰ আত্মবিশ্বাস দিনক দিনে বৃদ্ধি পাইছে। শুল্ক আৰু অনাশুল্ক বাধা হ্ৰাস কৰা হৈছে বুলি তেওঁ মন্তব্য কৰে। শ্ৰীমোদীয়েআগশাৰীৰ ব্যৱসায়ীসকল এই প্ৰচেষ্টাৰ মূল শক্তি বুলি অভিহিত কৰে। তেওঁ কয়, যে ভাৰত আৰু ৰাছিয়া সম্প্ৰতি উদ্ভাৱন, সহউৎপাদক আৰু সহসৃজনৰ নতুন যাত্ৰাৰ ব্ৰতী হৈছে। ভাৰত গোলকীয় প্ৰত্যাহ্বানৰ স্থায়ী সমাধান সুত্ৰ উলিওৱাৰ বাবে ৰাছিয়াৰ সৈতে কান্ধত কান্ধ মিলাই কাম কৰিবলৈ সাজু বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। তেওঁ কয়, যে ভাৰত সম্প্ৰতি বিশ্বৰ দক্ষতাৰ ৰাজধানীৰূপে পৰিগণিত হৈছে আৰু ভাৰতৰ যুৱ প্ৰজন্মৰ গোলকীয় আৱশ্যকতা পূৰণৰ পূৰ্ণ সম্ভাৱনা আছে।

ooooo

কেন্দ্ৰীয় চৰকাৰে কৰ ব্যৱস্থাৰ সৰলীকৰণৰ বাবে কাম কৰি আছে বুলি বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে প্ৰকাশ কৰিছে। নতুন দিল্লীত আজি এটা ব্যক্তিগত সংবাদগোষ্ঠীৰ নেতৃত্ব সন্মিলনত দিয়া ভাষণত মন্ত্ৰীগৰাকীয়ে কয়, যে জনসাধাৰণক উন্নয়নৰ বাবে আয়কৰৰ স্তৰসমূহ অধিক স্বচ্ছ, সৰল আৰু সহজে মানি চলিব পৰা হ'ব লাগে। সীমা শুল্ক পৰিকাঠামোৰ আমূল পৰিবৰ্তন পৰৱৰ্তী বৃহৎ কাম বুলি মন্ত্ৰীগৰাকীয়ে অভিহিত কৰে। শ্ৰীসীতাৰমণে কয়, যে চৰকাৰে বিগত দুটা বছৰত সীমা শুল্কসমূহ ক্ৰমাৎ হ্ৰাস কৰিছে আৰু সীমা শুল্ক ব্যৱস্থা সৰল কৰি তোলাৰ বাবে কাম কৰি আছে। তেওঁ লগতে কয়, যে সম্প্ৰতি মধ্যবিত্ত শ্ৰেণীৰ সঞ্চয়ৰ পৰিমাণ হ্ৰাস পোৱা নাই বৰং তেওঁলোকে বিনিয়োগ কৰিবলৈ লৈছে। চলিব বৰ্ষৰ বাবে সামগ্ৰিক বিকাশৰ হাৰ ৭ শতাংশৰ অধিক হ'ব বুলি মন্ত্ৰীগৰাকীয়ে দাবী কৰে।

ooooo

ড'নাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই কয়, যে উত্তৰ-পূৰ্বাঞ্চলত কৌশলগত যোগাযোগ ব্যৱস্থা উন্নত কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ অংশ হিচাপে গুৰুত্বপূৰ্ণ পথ কৰিড'ৰ আৰু মূল পথেৰে বিমান বন্দৰলৈ যোগাযোগ ব্যৱস্থা শক্তিশালী কৰাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। শ্ৰী সিন্ধিয়াই কালি কোহিমাত ভাৰ্চুৱেল ব্যৱস্থাৰে বহুকেইটা প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰি এইদৰে কয়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ২০২ কোটি টকা ব্যয়সাপেক্ষ ৫টা প্ৰকল্পৰ উদ্বোধন আৰু ৪৪৩ কোটি টকা ব্যয় সাপেক্ষ ১১টা প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। তিনিদিনীয়া ভ্ৰমণসূচীৰে নাগালেণ্ডলৈ অহা মন্ত্ৰীগৰাকীয়ে কালি হৰ্নবিল মহোৎসৱৰ অংশ হিচাপে ৰাজ্যখনৰ টুঅ'ফেমা গাঁৱত আংগামী নগাসকলৰ পৰম্পৰাগত কাৰ্যসূচীত অংশ লয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উত্তৰ-পূৰ্বাঞ্চলৰ ৰূপান্তৰকৰণৰ দৰ্শনৰ কথা উল্লেখ কৰি শ্ৰী সিন্ধিয়াই কয়, যে এই ৰাজ্যকেইখনৰ মুখ্যমন্ত্ৰীসকলৰ সহযোগিতাত কেন্দ্ৰীয় চৰকাৰে **অষ্টলক্ষ্মী** দৃষ্টিভংগীৰ প্ৰসাৰৰ বাবে অভিলাষী ব্যৱস্থা গ্ৰহণ কৰিছে। উত্তৰ-পূৰ্বাঞ্চলৰ সামূহিক উন্নয়নৰ ৰূপৰেখা প্ৰস্তুতৰ বাবে মুখ্যমন্ত্ৰী সকলৰ অধ্যক্ষতাত ৮টা উচ্চ পৰ্যায়ৰ কাৰ্যবাহিনী গঠন কৰা হৈছে বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

ooooo

দিল্লী আৰক্ষীয়ে ৰাষ্ট্ৰীয় ৰাজধানী আৰু ইয়াৰ কাষৰীয়া অঞ্চলৰ পৰা ১৬ গেংগষ্টাৰ আৰু দুৰ্ধৰ্ষ অপৰাধীক গ্ৰেপ্তাৰৰ কৰিছে। দিল্লী-ৰাষ্ট্ৰীয় ৰাজধানী অঞ্চলত চলি থকা অপৰাধমূলক কাৰ্যৰ বিৰুদ্ধে দিল্লী আৰক্ষীক ৮৫০ৰো অধিক জোৱানে যোৱা নিশা বৃহৎ অভিযান চলায়। দিল্লী আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি এই

অভিযানত বিশেষকৈ ধন দাবী, অস্ত্ৰৰ অবৈধ ব্যৱসায়, ড্ৰাগছ সৰ্বৰাহ, ডকাইতি আৰু সামগ্ৰী কাঢ়ি নিয়া আদি অপৰাধত জড়িতসকলক লক্ষ্য কৰি লোৱা হয়। এই অভিযানকালত দিল্লী আৰু হাৰিয়ানাৰ ১৫০ৰো অধিক স্থানত দিল্লী আৰক্ষীয়ে তালাচী চলায়।

০০০০০

সমগ্ৰ ৰাষ্ট্ৰই আজি ভাৰতৰত্ন সন্মানেৰে বিভূষিত ড০ বি আৰ আম্বেদকাৰৰ ৭০ সংখ্যক মহা পৰিনিৰ্বাণ দিৱস বা মৃত্যু বাৰ্ষিকী উপলক্ষে সংবিধান প্ৰণেতাগৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰিছে। এই উপলক্ষে ৰাষ্ট্ৰ গঠনত আম্বেদকাৰৰ অভূতপূৰ্ব বৰঙণিৰ বিষয়ে আলোকপাত কৰি ভালেমান অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, লোকসভাৰ অধ্যক্ষ ওম বিৰলা আৰু অন্য বিশিষ্ট ব্যক্তিসকলে মহাপৰিনিৰ্বাণ দিৱস উপলক্ষে আজি সংসদ ভৱন চৌহদত সংবিধান প্ৰণেতাগৰাকীলৈ পুস্পাৰ্ঘ্য নিবেদন কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয়, যে বাবাচাহেব আম্বেদকাৰৰ ভৱিষ্যদৰ্শী নেতৃত্ব আৰু ন্যায়, সমতা তথা সাংবিধানিক প্ৰমূল্যৰাজিৰ প্ৰতি তেওঁৰ অভূতপূৰ্ব প্ৰতিশ্ৰুতিবদ্ধতাই দেশৰ যাত্ৰাত আজিও গুৰি ধৰি আহিছে। আম্বেদকাৰে ভৱিষ্যৎ প্ৰজন্মক মানবীয় মৰ্যাদা অক্ষুন্ন ৰাখিবলৈ আৰু গণতন্ত্ৰৰ ভেঁটি সুদৃঢ় কৰিবলৈ  অনুপ্ৰেৰণা যোগায় যাব বুলি তেওঁ মন্তব্য কৰে।

০০০০০

অসামৰিক বিমান পৰিবহণ মন্ত্ৰী ৰাম মোহন নাইডুৱে কৈছে যে ইণ্ডিগ' বিমানসমূহে পলমকৈ চলাচল আৰু বাতিলে সৃষ্টি কৰা সমস্যাৰ কিছু উন্নতি হৈছে। বিমান বন্দৰসমূহত যাত্ৰীসকলে আজিৰে পৰা অধিক সময় অপেক্ষা কৰিব নালাগিব বুলিও মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। শ্ৰী নাইডুৱে কয় যে চৰকাৰে প্ৰথমতে বিমান বন্দৰসমূহত হৈ থকা যাত্ৰীৰ ভিৰ কমোৱাত গুৰুত্ব দিছে আৰু এই ক্ষেত্ৰত চৰকাৰে সংশ্লিষ্ট সকলো পক্ষৰ সৈতে সক্ৰিয়ভাৱে কাম কৰিছে। নতুন দিল্লীত সংবাদ মাধ্যমক মন্ত্ৰীগৰাকীয়ে কয় যে অসামৰিক বিমান পৰিবহন মন্ত্ৰালয়ে শিশু, মাতৃ, জ্যেষ্ঠ নাগৰিক আৰু দিব্যাংগসকলক প্ৰাথমিক গুৰুত্ব দিবলৈ বিমান বন্দৰ কৰ্তৃপক্ষৰ লগতে বিমান সংস্থাসমূহক নিৰ্দেশ দিছে।

০০০০০

কেন্দ্ৰীয় চৰকাৰে ইণ্ডিগ' এয়াৰ লাইন্সৰ বিমান সেৱাৰ বিপৰ্যয়ক লৈ তদন্ত ঘোষণা কৰিছে। ইয়াৰ বাবে এখন চাৰিজনীয়া সমিতি গঠন কৰা হৈছে। ১৫ দিনৰ ভিতৰত এই বিপৰ্যয়ৰ কাৰণ আৰু গাফিলতি সন্দৰ্ভত অনুসন্ধান কৰি প্ৰতিবেদন দাখিল কৰিবলৈ সমিতিখনক নিৰ্দেশ দিয়া হৈছে। সমিতিখনে বিমান পৰিবহণ সংস্থাটোৰ কৰ্মচাৰী, পাইলটকে ধৰি কৰ্তৃপক্ষৰ অৱহেলা সন্দৰ্ভতো তদন্ত কৰিব।

দিল্লী বিমান বন্দৰত পৰিস্থিতি ক্ৰমান্বয়ে স্বাভাবিক হৈ অহা বুলি প্ৰকাশ কৰা হৈছে। এটা নিৰ্দেশনাত দিল্লী বিমান বন্দৰ প্ৰাধিকৰণৰ তৰফৰ পৰা যাত্ৰীসকলক জনোৱা হৈছে যে পৰিস্থিতি স্বাভাবিক হ'লেও কিছু সংখ্যক ইণ্ডিগ' বিমানৰ চলাচলত অসুবিধা অব্যাহত থাকিব। লগতে বিমান বন্দৰ এৰাৰ পূৰ্বে বিমানৰ শেহতীয়া স্থিতি পৰীক্ষা কৰিবলৈ যাত্ৰীসকলক আহ্বান জনোৱা হৈছে।

০০০০০

দেশজুৰি বিমান বাতিলকৰণে সৃষ্টি কৰা পৰিৱেশ আৰু যাত্ৰীৰ চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি ভাৰতীয় ৰেলৱেই সুচল যাত্ৰা আৰু ৰেল গাড়ীৰ উপলভ্যতাত গুৰুত্ব দিছে। দেশত মুঠ ৩৭ খন ৰেলগাড়ীত ১১৬ টা অতিৰিক্ত ডবা সংযোগ কৰা হৈছে। দক্ষিণ ৰেলৱেই আটাইতকৈ বেছি সংখ্যক ডবা সংযোগ কৰিছে।

oooooo

ভাৰতে পুৰুষৰ জুনিয়ৰ বিশ্বকাপ হকী প্ৰতিযোগিতাৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। ভাৰতে যোৱা নিশা চেন্নাইৰ মেয়ৰ ৰাধাকৃষ্ণণ হকী ষ্টেডিয়ামত অনুষ্ঠিত কোৱাৰ্টাৰ ফাইনেলত বেলজিয়ামক পেনাল্টি শ্যুট আউটৰ সহায়ত ৪-৩ গ'লত পৰাস্ত কৰে। খেলখন নিৰ্ধাৰিত সময়ত ২-২ গ'লত অমিমাংসীত হৈ ৰোৱাত পেনাল্টি শ্যুট আউটৰ সহায় ল'বলগীয়া হয়।

oooo

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল বিশাখাপট্টনমত কিছুসময় পূৰ্বে আৰম্ভ হৈছে। খেলখনত ভাৰতে টচত জিকি প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লৈছে। দক্ষিণ আফ্ৰিকাই এই বাতৰি যুগুতোৱাৰ পৰলৈকে এক অভাৰত এটা উইকেট হেৰুৱাই এক ৰাণ সংগ্ৰহ কৰিছে। দুয়োটা দলে ইতিমধ্যে শৃংখলাত একোখনকৈ খেলত জয়লাভ কৰিছে। দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে টেষ্ট শৃংখলাত শোচনীয় পৰাজয়ৰ পাছত ভাৰতে আজিৰ খেলখনত জয়লাভ কৰি এদিনীয়া শৃংখলা হস্তগত কৰাৰ বাবে আপ্ৰাণ চেষ্টা চলাব।

oooooooo

বিশাখাপট্টনমত কিছুসময় পূৰ্বে আৰম্ভ হৈছে। খেলখনত ভাৰতে টচত জিকি প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লৈছে। দক্ষিণ আফ্ৰিকাই এই বাতৰি যুগুতোৱাৰ পৰলৈকে এক অভাৰত এটা উইকেট হেৰুৱাই এক ৰাণ সংগ্ৰহ কৰিছে। দুয়োটা দলে ইতিমধ্যে শৃংখলাত একোখনকৈ খেলত জয়লাভ কৰিছে। দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে টেষ্ট শৃংখলাত শোচনীয় পৰাজয়ৰ পাছত ভাৰতে আজিৰ খেলখনত জয়লাভ কৰি এদিনীয়া শৃংখলা হস্তগত কৰাৰ বাবে আপ্ৰাণ চেষ্টা চলাব।

oooooooo